# মানৱ বন্ধনা

**-চন্দ্রকুমাৰ আগৰৱালা**

**১/ অতি চমুৰ প্ৰশ্নৰ উত্তৰ:**

**(ক) 'বিশ্ব হৰণ' কবিতাটোক কি কবিতা বুলিব পাৰি ?**
**উত্তৰঃ** বিশ্ব হৰণ' কবিতাটোক 'ৰোমাণ্টিক কবিতা' বুলিব পাৰি ।

**(খ) 'প্ৰতিমাৰ খনিকৰ' কোন?**
**উত্তৰঃ** 'প্ৰতিমাৰ খনিকৰ' হ'ল- চন্দ্ৰকুমাৰ আগৰৱালা ।

**(গ) ড° নিৰ্মলপ্ৰভা বৰদলৈৰ প্ৰথম কবিতা পুথি কি আছিল?**
**উত্তৰঃ** ড° নিৰ্মলপ্ৰভা বৰদলৈৰ প্ৰথম কবিতা পুথি 'বন ফৰিঙৰ ৰং'।

**ঘ) মানুহেই পৰাৎপৰ বোলা কথাষাৰৰ অৰ্থ কি?**
**উত্তৰঃ** মানুহেই পৰাৎপৰ বোলা কথাষাৰৰ অৰ্থ হ'ল- মানুহেই শ্ৰেষ্টতকৈও শ্ৰেষ্ট, পৰমসত্য ।

**(ঙ) পাদ্য- অৰ্ঘ্য লৈ মানুহক পূজা কৰাৰ অৰ্থ কি?**
**উত্তৰঃ** পাদ্য- অৰ্ঘ্য লৈ মানুহক পূজা কৰাৰ অৰ্থ হ'ল- দেৱতাৰ পূজাৰ সলনি মানৱ পূজাৰ আয়োজন কৰা ।

**২/ 'মানৱ বন্ধনা' কবিতাটিৰ সাৰাংশ তোমাৰ নিজৰ কথাৰে লিখা ।**

**উত্তৰঃ** কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ 'মানৱ বন্ধনা' কবিতাটিত মানৱ ধৰ্মৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন হৈছে ।পৃথিৱীলৈ অনাদি কালৰ পৰা মানুহৰ অহা-যোৱা চলিছে । অন্তহীন মানৱ হোঁতেৰে প্লাবিত এই পৃথিৱীক সেয়েহে মৰ্ত্য অৰ্থাৎ মৃত্যুলোক বোলা উচিত নহয় । মানৱ জনম মানুহৰ বাবে কাম কৰি অতিবাহিত কৰিবলৈ কবিয়ে আহৱান জনাইছে । কাৰণ মানুহক মৰম কৰিব জনিলেহে প্ৰকৃত ধৰ্ম আচৰণ কৰা হয় ।

এই পৃথিৱীত আমি লগ সংগ আদি বিভিন্ন ৰূপত মানুহকে পাওঁ । মানুহ শ্ৰেষ্টতকৈও শ্ৰেষ্ঠ, পৰম সত্য । সেই শ্ৰেষ্ঠ মানুহৰ বাসভূমি পৃথিৱী স্বৰ্গতকৈও শ্ৰেষ্ঠ । মানুহেই দেৱতা ,মাসেই সেৱাৰ যোগ্য । মানুহতকৈ শ্ৰেষ্ঠ আন কোনো নাই । সেয়েহে কবিয়ে দেৱ পূজাৰ সলনি মানৱ পূজাৰ আয়োজন কৰি মানুহক মানৱ ধৰ্ম পালন কৰিবলৈ উপদেশ দিছে ।

**৩/ অসমৰ প্ৰথমজন ৰোমাণ্টিক কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ চমু পৰিচয় দিয়া ।**

**উত্তৰঃ** চন্দ্ৰকুমাৰ আগৰৱালাদেৱ আছিল অসমৰ প্ৰথমগৰাকী ৰোমান্টিক কবি । 'বীণ ব'ৰাগী আছিল তেওঁৰ প্ৰথম ৰোমাণ্টিক কবিতাৰ পুথি । অসমীয়া সাহিত্যৰ জোনাকী যুগৰ ত্ৰিমূৰ্তিৰ অন্যতম এগৰাকী কবি আছিল ।

জোনাকী কাকতৰ প্ৰথমজন সম্পাদক । তেজপুৰৰ ব্ৰক্ষজনত কবিগৰাকীৰ জন্ম হয় । তেখেতৰ কবিতা পুথি দুখন 'প্ৰতিমা' আৰু 'বীণ- বৰাগী' । 'প্ৰতিমা' পুথিখন সন্দৰ্ভত সাহিত্যৰথি লক্ষ্মীনাথ বেজবৰুৱাই কৈছিল – "প্ৰতিমাখন সৰ, কিন্তু নিভাঁজ সোণৰ ।" জোনাকী কাকতৰ জৰিয়তে ৰোমান্টিক সাহিত্য চৰ্চাক অসমীয়া সাহিত্যলৈ আদৰি অনা চন্দ্ৰকুমাৰ আগৰৱালাই 'জোনাকী', 'সাদিনীয়া অসমীয়া' আদি আলোচনী সম্পাদনা কৰিছিল ।

**৪/ 'মানৱ বন্দনা কবিতাটিৰ মূল বক্তব্য কি?**

**উত্তৰঃ** 'মানৱ বন্দনা' কবিতাটিৰ মূল বক্তব্য হ'ল- মানৱতাবাদ । অপাৰ্থীৱ দেবতা বা স্বৰ্গৰ কল্পনা কৰি মানুহে পূজা-অৰ্চনা কৰে । কিন্তু সেই পূজা দেৱতাই গ্ৰহণ কৰে নে নকৰে সেইয়া কোনেও নাজানে ।

দেৱতা বা স্বৰ্গ কল্পনাৰেহে পোৱা যায় ,সেইবোৰৰ বাস্তৱ অস্তিস্ত শূণ্য । কিন্তু এই পৃথিৱী সত্য,শাশ্বত । এই বাস্তৱ পৃথিৱীত মানুহে লগ-সংগ ৰূপত সদায় আমাক আৱৰি ৰাখে । সেয়েহে দেৱতাৰ পূজাৰ মানুহ উপকৃত হয় ।কবিয়ে সেয়েহে মানৱ পূজাৰ আয়োজন কৰিবলৈ আহ্বান জনাই মানৱতাবাদৰ যথাৰ্থ দাঙি ধৰিছে ।

**৫/ "এই যে পৃথিৱী স্বৰ্গতো অধিক**
**মানুহৰ নিজাপী ঘৰ ।" – কথাষাৰ বুজাই লিখা ।**

**উত্তৰঃ** মানুহক লগ- সংগ আদি বিভিন্ন ৰূপত আমি সততে লগ পাওঁ । দেৱতা আমাৰ কল্পনাৰ সৃষ্টি, যাৰ বাস্তৱ অস্তিত্ব নাই । কিন্ত মানুহ বাস্তৱ আৰু পৰম সত্য । সেয়েহে মানুহ শ্ৰেষ্টতকৈও শ্ৰেষ্ঠ । সেই শ্ৰেষ্টতম মানুহৰ নিজা বাসভূমি এই প্ৰথিৱী । পৃথিৱী বাস্তৱ । কল্পনাৰ স্বৰ্গ আছেনে নাই কোনেও নাজানে । কিন্তু আমি বাস্তৱত লগ পোৱা মানুহৰ বাসভূমি এই বাস্তৱ পৃথিৱী স্বৰ্গতকৈও শ্ৰেষ্ট পৰম পুণ্যৰ স্থল ।

**৬/ প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা :**

**(ক) এই যে পৃথিৱী স্বৰ্গতো অধিক মানুহৰ নিজাপি ঘৰ ।**
**উত্তৰঃ** উক্ত কবিতাফাকি চন্দ্ৰকুমাৰ আগৰৱালাই লিখা 'মানৱ বন্ধনা' কবিতাটিৰ পৰা তুলি অনা হৈছে ।

এই কবিতাটিৰ জৰিয়তে পৃথিৱীৰ মায়া-মোহত আচ্ছন্ন হৈ মানুহে পৃথিৱীক স্বৰ্গতকৈ অধিক সুখৰ বুলি ভাবে । কাৰণ, পৃথিৱীত মানুহেই মানুহৰ লগ, মানুহেই মানুহৰ সংগ ।

**(খ) মানৱী জনম দিয়া উটুৱাই**
**মানৱী কৰম সোঁতে,**
**মানুহৰ মৰম বুজিবা মানুহে**
**ধৰম যে মৰমতে ।**

**উত্তৰঃ** উক্ত কবিতাফাকি চন্দ্ৰকুমাৰ আগৰৱালাই ৰচনা কৰা 'নিয়ম' নামৰ কবিতাটিৰ পৰা তুলি অনা হৈছে ।
মানুহৰ প্ৰতি মানুহৰ ধৰ্ম কি হোৱা উচিত তাকে ক'বলৈ কবিয়ে উক্ত প্ৰসংগ অৱতাৰণা কৰিছে ।

মানৱ মৰণশীল । জন্ম আৰু মৃত্য এটি সদা ৰীতি । তথাপিও মানুহে মানুহৰ প্ৰতি থাকিবলগীয়া কৰণীয়, মানৱ জীৱনৰ মঙ্গলৰ বাবে আমি কি কৰা উচিত তাকে কবিয়ে কবিতাটিত উল্লেখ কৰিছে । মানুহে মানুহৰ লগ আৰু সংগ । সেয়েহে মানুহে মানুহৰ মৰম বুজিব লাগিব, মানুহৰ প্ৰতি দয়াশীল,মৰমিয়াল হ'ব লাগিব । সেয়ে মানুহৰ পৰম ধৰ্ম ।

**(গ) মানুহেই দেৱ মানুহেই সেৱ**
**মানুহ বিনে নাই কেৱ**
**কৰা কৰা পূজা। পাদ্য অৰ্ঘ্য লৈ**
**জয় জয় মানৱ দেৱ ।**

**উত্তৰঃ** উক্ত কবিতাফাকি আমাৰ পাঠ্যপুথিৰ 'সাহিত্য সুবাস'ৰ অন্তৰ্গত কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ 'মানৱ – বন্ধনা' নামৰ কবিতাটিৰ পৰা তুলি অনা হৈছে ।
কবিতাফাকি মানুহক দেৱতাতকৈও শ্ৰেষ্ট হিচাপে প্ৰতিপন্ন কৰা হৈছে ।
দেৱতা মানুহৰ কল্পনা সৃষ্টি । বাস্তৱত দেৱতাৰ অস্তিত্ব নাই । কিন্তু মানুহ পৰম সত্য ।
বাস্তৱ পৃথিৱীত লগ-সংগ আদি বিভিন্ন ৰূপত আমি মানুহকে পাওঁ ।

সেয়েহে মানুহ দেৱতাতকৈও শ্ৰেষ্ট । কল্পনাৰ দেৱতাক পূজা কৰিলে সেই পূজা দেৱতাই পায় নে নাপাই কোনেও নাজানে । কিন্তু মানুহক পূজা-সেৱা কৰিলে মানৱ জাতিৰ

উপকাৰ হয় । সেয়েহে মানুহেই দেৱতা আৰু মানুহেই প্ৰকৃতিত সেৱাৰ যোগ্য । মানুহতকৈ শ্ৰেষ্ঠ আন কোনো নহয় । সেয়েহে কবিয়ে দেৱতাৰ পূজা কৰাৰ সলনি পাদ্য-অৰ্ঘ্য লৈ মানুহৰ বন্ধনা কৰিবলৈ উপদেশ দিছে আৰু মানুহৰ জয় ধ্বনি কৰি মানৱ ধৰ্ম পালন কৰিবলৈ সকলোকে আহ্বান জনাইছে ।

**৭/ সমাৰ্থক শব্দ লিখা :**
**মানুহ, সংগ, পৃথিৱী, সোঁত, স্বৰ্গ, দেৱ**

**উত্তৰ:**

মানুহ – মানৱ, নৰ
সংগ – লগ, বন্ধু
পৃথিৱী – বসুমতী, মেদিনী
সোঁত – প্ৰবাহ,ধৰা
স্বৰ্গ – সৰগ
দেৱ – দেৱতা